# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 20-05-2024
**Time :** 1715 Hrs

# *Assamese Evening Bulletin*

**- - - - - - - - - - - - - - -**

লোকসভা নিৰ্বাচনৰ পঞ্চম পৰ্যায়ত দেশৰ ৬ খন ৰাজ্য আৰু দুটা কেন্দ্ৰীয়শাসিত অঞ্চলৰ ৪৯ টা সমষ্টিৰ বাবে আজি অনুষ্ঠিত ভোটগ্ৰহণ শান্তিপূৰ্ণভাৱে অব্যাহত আছে। বিয়লি ৩ বজা পৰ্যন্ত ৪৭ দশমিক ৫-৩ শতাংশ ভোটদাতাই তেওঁলোকৰ ভোটদানৰ অধিকাৰ সাব্যস্ত কৰিছে। বিহাৰত ৪৫ দশমিক ৩-৩ শতাংশ, জন্মু কাশ্মীৰত প্ৰায় ৪৫ শতাংশ, ঝাৰখণ্ডত প্ৰায় ৫৪ শতাংশ, লাডাখত ৬১ দশমিক ২-৬ শতাংশ, মহাৰাষ্ট্ৰত ৩৮ দশমিক ৭-৭ শতাংশ, ওড়িশাত ৪৮ দশমিক ৯-৫ শতাংশ, উত্তৰ প্ৰদেশত ৪৭ দশমিক ৫-৫ শতাংশ, পশ্চিমবংগত ৬২ দশমিক ৭-২ শতাংশ ভোটদাতাই ৩ বজালৈকে ভোটদান কৰে। পুৱা ৭ বজাৰ পৰা আৰম্ভ হোৱা এই ভোটগ্ৰহণ প্ৰক্ৰিয়া সন্ধিয়া ৬ বজাত সামৰণি পৰিব। উল্লেখযোগ্য যে পঞ্চম পৰ্যায়ত উত্তৰ প্ৰদেশৰ ১৪ টা, মহাৰাষ্ট্ৰৰ ১৩ টা, পশ্চিমবংগৰ ৭টা, ওড়িশা আৰু বিহাৰৰ ৫ টাকৈ, ঝাৰখণ্ডৰ তিনিটা আৰু জন্মু-কাশ্মীৰ তথা লাডাখৰ এটাকৈ সমষ্টিত ভোটগ্ৰহণ কৰা হৈছে। এই পৰ্যায়ত ৬৯৫ গৰাকী প্ৰাৰ্থী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈছে। আগশাৰীৰ প্ৰাৰ্থীসকলৰ ভিতৰত বিজেপিৰ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী ৰাজনাথ সিং, পীয়ুষ গোৱেল, স্মৃতি ইৰাণী, কংগ্ৰেছ নেতা ৰাহুল গান্ধী, কে এল শৰ্মা, নেচনেল কনফাৰেন্সৰ ওমৰ আব্দুল্লা আৰু এল জে পি ৰামবিলাস পাছোৱানৰ চিৰাগ পাছোৱান অন্যতম। ভোটগ্ৰহণ নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে দেশৰ বিভিন্ন প্ৰান্তৰ ৯৪ হাজাৰ ৭৩২ টা ভোটগ্ৰহণ কেন্দ্ৰত ৯ লাখ ৪৭ হাজাৰৰো অধিক নিৰ্বাচনী বিষয়া নিয়োগ কৰা হৈছে। এই পৰ্যায়ত ৮ কোটি ৯৫ লাখ ভোটদাতাই ভোটদানৰ সুযোগ লাভ কৰিব। ইয়াৰে ভিতৰত ৪ কোটি ৬৯ লাখ পুৰুষ, ৪ কোটি ২৬ লাখ মহিলা আৰু ৫ হাজাৰ ৪০৯ গৰাকী তৃতীয় লিংগৰ ভোটদাতা আছে। এই পৰ্যায়ৰ বাবে স্থাপন কৰা ভোটগ্ৰহণ কেন্দ্ৰসমূহত খোৱা পানী, ৰেম্প, শৌচালয়, হুইল চেয়াৰ আদি প্ৰয়োজনীয় সকলো ব্যৱস্থা কৰা হৈছে।

উল্লেখযোগ্য যে এতিয়ালৈকে ২৩ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৩৭৯ টা সংসদীয় সমষ্টিত নিৰ্বাচন অনুষ্ঠিত হৈছে আৰু প্ৰায় ৬৭ শতাংশ ভোটদাতাই তেওঁলোকৰ ভোটাধিকাৰ সাব্যস্ত কৰিছে।

ooooo

লোকসভা নিৰ্বাচনৰ বাকী থকা দুটা পৰ্যায়ৰ বাবে নিৰ্বাচনী প্ৰচাৰ তীব্ৰতৰ হৈ উঠিছে। জ্যেষ্ঠ ৰাজনৈতিক নেতাসকলে ৰাজ্যসমূহত ৰাজহুৱা সভা আৰু ৰোড শ্ব'সমূহত অংশগ্ৰহণ কৰি নিজ নিজ দলৰ প্ৰাৰ্থীসকলৰ সমৰ্থনত ব্যাপক প্ৰচাৰ চলাইছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ওড়িশা আৰু পশ্চিমবংগত আজি কেবাটাও সমদলত অংশগ্ৰহণ কৰে। শ্ৰীমোদীয়ে ওড়িশাৰ আংগুল আৰু কটকত জনসভাত অংশগ্ৰহণ কৰে। নিজৰ ভাষণত প্ৰধানমন্ত্ৰীয়ে এন ডি এ চৰকাৰ পুনৰ শাসনলৈ আহিলে ধানৰ ন্যূনতম সমৰ্থন মূল্য প্ৰতি কুইণ্টলত

বৰ্তমানৰ ২ হাজাৰ ২০০ টকাৰ পৰা ৩ হাজাৰ ১০০ টকালৈ বৃদ্ধি কৰা হ'ব বুলি প্ৰতিশ্ৰুতি দিয়ে। শ্ৰীমোদীয়ে কয় যে, ওড়িশাত পৰ্যাপ্ত পৰিমাণে প্ৰাকৃতিক সম্পদ থকা সত্বেও ৰাজ্যখনৰ জনসাধাৰণ দৰিদ্ৰ হৈ আছে। তেওঁ নবীন পাটনায়ক নেতৃত্বাধীন চৰকাৰক ২৪ বছৰীয়া শাসনকালত কৃষক আৰু যুৱ প্ৰজন্মৰ কল্যাণৰ বাবে কোনোধৰণৰ ব্যৱস্থা গ্ৰহণ নকৰা বুলি সমালোচনা কৰে। শ্ৰীমোদীয়ে আজি পুৰীৰ পৰা ২ কিলোমিটাৰ জোৰা এটা ৰোড শ্ব'ত অংশ লয়। ইফালে পশ্চিমবংগত প্ৰধানমন্ত্ৰীয়ে ঝাৰগ্ৰাম আৰু তামলুকত জনসভাত অংশ লৈছে। বিজেডিৰ সভাপতি নবীন পাটনায়কে আজি বিয়লি এটা ৰোড শ্ব'ত অংশ লয়। ইফালে জ্যেষ্ঠ বিজেপি নেতা অমিত শ্বাহে আজি হাৰিয়ানাৰ কাৰ্নাল আৰু হিছাৰত জনসভাত অংশ লয়। উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা যোগী আদিত্যনাথে আজি ছত্তিগড়ত এটা সমাবেশক সম্বোধন কৰে।

আনহাতে, সমাজবাদী দলৰ প্ৰধান অখিলেশ যাদৱে আজি উত্তৰ প্ৰদেশৰ দোমাৰিয়াগঞ্জ, সন্ত কবীৰ নগৰ আৰু বস্তীত তিনিখন ৰাজহুৱা সভাত অংশ লয়। নিজৰ ভাষণত শ্ৰীযাদৱে আই এন ডি আই মিত্ৰজোঁট ক্ষমতালৈ আহিলে ৩০ লাখ যুৱক-যুৱতীক চাকৰিৰ সুবিধা দিয়া হ'ব বুলি প্ৰতিশ্ৰুতি দিয়ে।

ooooo

গোৱালপাৰা জিলাৰ দুধনৈত অহা ২৩ মে'ৰ পৰা তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ৰাভা জনগোষ্ঠীৰ বায়খ' উৎসৱ উদযাপন কৰা হ'ব। দুধনৈৰ আঞ্চলিক ৰাভা ছাত্ৰ সন্থাৰ উদ্যোগত আয়োজিত এই উৎসৱৰ এইবাৰ ৰূপালী জয়ন্তী বৰ্ষ উদযাপন কৰিবলৈ লোৱা হৈছে। উৎসৱৰ বাবে অঞ্চলটোত ব্যাপক প্ৰস্তুতি অব্যাহত আছে। ২০০ গৰাকী যুৱক-যুৱতীয়ে এই উৎসৱত সমবেত হৈ ছাথাৰ নৃত্য পৰিৱেশন কৰিব। তদুপৰি পৰম্পৰাগত ৰীতি-নীতি আৰু মাংগলিক পৰম্পৰাৰে বায়খ' পূজা, সন্ধিয়াৰ ভাগত পূজাৰী সকলে জুইৰ ওপৰত কৰা বাৰণাককাই নৃত্য আৰু বগেজাৰী নৃত্য পৰিৱেশন কৰা হ'ব।

ooooo

ভাৰতৰ দিপ্তী জীৱনজীয়ে জাপানৰ ক'বেত অনুষ্ঠিত পেৰা এথলেটিকছ বিশ্ব চেম্পিয়নশ্বিপ-২০২৪ত আজি মহিলাৰ ৪০০ মিটাৰ T20 শাখাত বিশ্ব অভিলেখ গঢ়ি সোণৰ পদক অৰ্জন কৰিছে। দিপ্তীয়ে ৫৫ দশমিক ০-৭ ছেকেণ্ডেৰে আমেৰিকাৰ ব্ৰিয়ানা ক্লাৰ্কৰ পূৰ্বৰ ৫৫ দশমিক ১-২ ছেকেণ্ডৰ বিশ্ব অভিলেখ ভংগ কৰে।

আনহাতে ভাৰতৰ য়োগেশ কাথুনিয়াই পুৰুষৰ ডিস্কাছ থ্ৰ' F56 শাখাৰ ফাইনেলত ৰূপৰ পদক অৰ্জন কৰিছে। ইপিনে কালি ভাৰতৰ নিছাদ কুমাৰে হাই জাম্পত ৰূপৰ পদক আৰু প্ৰীতি পলে মহিলাৰ ২০০ মিটাৰ শাখাত ব্ৰঞ্জৰ পদক লাভ কৰিছিল। নিছাদ কুমাৰে পুৰুষৰ হাই জাম্প T47 শাখাত ফাইনেলত এক দশমিক ৯-৯ মিটাৰৰ আকৰ্ষণীয় প্ৰদৰ্শনেৰে ৰূপৰ পদক অৰ্জন কৰে। আনহাতে প্ৰীতি পলে মহিলাৰ ২০০ মিটাৰ T35 শাখাত ব্ৰঞ্জৰ পদক লাভ কৰে।

উল্লেখযোগ্য যে, পেৰিছ ২০২৪ পেৰা অলিম্পিক গেমছৰ কোৱালিফায়াৰৰ বাবে পূব এছিয়াত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হোৱা ক'বে ২০২৪ পেৰা এথলেটিকছ বিশ্ব চেম্পিয়নশ্বিপ অতি গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হৈছে।

ooooo

সমাপ্ত